কিয়ামতৰ দিনা যেতিয়া আল্লাহে পূৰ্বৱৰ্তী আৰু পৰৱৰ্তী সকলো লোককে একত্ৰিত কৰিব, তেতিয়া প্ৰত্যেক বিশ্বাসঘাতক প্ৰতাৰকৰ বাবে পতাকা উত্তোলন কৰা হ'ব। লগতে কোৱা হ'বঃ এইটো হৈছে অমুকৰ পুত্ৰ অমুকৰ প্ৰতাৰণাৰ প্ৰতীক।

ইবনে ‘ওমৰ ৰাদ্বিয়াল্লাহু ‘আনহুমাৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "কিয়ামতৰ দিনা যেতিয়া আল্লাহে পূৰ্বৱৰ্তী আৰু পৰৱৰ্তী সকলো
লোককে একত্ৰিত কৰিব, তেতিয়া প্ৰত্যেক বিশ্বাসঘাতক প্ৰতাৰকৰ বাবে পতাকা উত্তোলন
কৰা হ'ব। লগতে কোৱা হ'বঃ এইটো হৈছে অমুকৰ পুত্ৰ অমুকৰ প্ৰতাৰণাৰ প্ৰতীক।"
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত জনাইছে যে, মহান আল্লাহে কিয়ামতৰ দিনা যেতিয়া পূৰ্বৱৰ্তী আৰু পৰবৰ্তী সকলো লোককে হিচাপ-নিকাচৰ বাবে একত্ৰিত কৰিব, তেতিয়া প্ৰতিজন বিশ্বাসঘাতক তথা প্ৰতাৰকৰ বাবে একোটাকৈ পতাকা উত্তোলন কৰা হ'ব, সেই প্ৰতাৰণা আল্লাহৰ সৈতে হওক বা মানুহৰ সৈতে। যাতে সকলোৱে গম পায় যে, ই খিয়ানত কৰিছে তথা বিশ্বাসঘাতকতা কৰিছে। লগতে সেইদিনা ঘোষকে ঘোষণা কৰিব যে, এইটো হৈছে অমুকৰ পুত্ৰ অমুকৰ বিশ্বাসঘাতকতাৰ প্ৰতীক। যাতে হাশ্বৰৰ ময়দানত উপস্থিত থকা সকলোৰে সন্মুখত তাৰ এই কুকৰ্ম উন্মোচিত হয়।

http://www.sunnah.global/hadeeth/as/show/2936